অসম চৰকাৰ

GOVERNMENT OF ASSAM

অসমচৰকাৰ

উপায়ুক্তৰ কাৰ্যালয় ,মাজুলী ,

গড়মূৰ:: মাজুলী::অসম

(ৰাজহ শাখা)

তাং ০১/০৭/২০২২

নং: এম.আৰ.পি.৭২/২০২২/

## বিজ্ঞাপন

মাজুলী জিলাৰ মাজুলী ৰাজহ চক্ৰ আৰু উজনী মাজুলী ৰাজহ চক্ৰৰ অন্তৰ্গত নিম্ন লিখিত লাট আৰু গাওঁ সমূহত সৰ্বমুঠ ৫ টা গাওঁপ্ৰধানৰ পদ খালী হৈ থকাৰ পৰিপ্ৰেক্ষিতত উক্ত পদসমূহ পূৰণৰ বাবে উপযুক্ত প্ৰাৰ্থীৰ পৰা অনলাইনযোগে অহা ইংৰাজী **০২/০৭/২০২২** তাৰিখৰ পুৱা ১০ বজাৰ পৰা **২২.০৭.২০২২** তাৰিখৰ নিশা ১২ বজাৰ ভিতৰত **https://niyukti.assam.gov.in/majuli_gaonpradhan/** ৱেবচাইটত আবেদন বিচৰা হৈছে ।

| ক্ৰমিক নং | ৰাজহ চক্ৰ | মৌজা | লাট নং | গাওঁ | মাহিলী পাৰিতোষিক |
|---|---|---|---|---|---|
| ১ | মাজুলী ৰাজহ চক্ৰ | কমলাবাৰী | ১২ | পকাজৰা মিৰি | ৯,০০০/- |
| ২ | মাজুলী ৰাজহ চক্ৰ | কমলাবাৰী | ৮ | বিৰিনাবাৰী, গোৱাল গাওঁ | ৯,০০০/- |
| ৩ | মাজুলী ৰাজহ চক্ৰ | কমলাবাৰী | ১ | ৰঙাচাহী, ১নং বৰনলনি | ৯,০০০/- |
| ৪ | মাজুলী ৰাজহ চক্ৰ | আঁহতগুৰি | ২ | ধোদাং চাপৰি, উজিৰআটী | ৯,০০০/- |
| ৫ | উজনী মাজুলী ৰাজহ চক্ৰ | শালমৰা | ২ | বনৰীয়া চাপৰি | ৯,০০০/- |

**আৱশ্যকীয় যোগ্যতাসমূহঃ-**

১)আবেদনকাৰী ভাৰতীয় নাগৰিক হ'ব লাগিব আৰু নিযুক্তি পাবৰ বাবে আবেদন কৰা গাঁৱৰ অথবা গাওঁ সমূহৰ স্হায়ী বাসিন্দা হোৱাটো একান্তই বাঞ্চনীয় ।

২)আবেদনকাৰীৰ বয়স ০১/০৭/২০২২ তাৰিখে নুন্যতম ৩০ বছৰ হ'ব লাগিব আৰু ৬৫ বছৰৰ ঊৰ্ধ্বৰ হ'ব নালাগিব ।

৩)আবেদনকাৰী হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হ'ব লাগিব ।

৪)আবেদনকাৰী শাৰীৰিক আৰু মানসিকভাৱে সৱল হ'ব লাগিব ।(বিভাগীয় কতৃপক্ষৰ প্ৰমান পত্ৰ দাখিল কৰিব লাগিব)

৫)আবেদনকাৰী আৰ্থিকভাৱে দেউলীয়া হ'ব নালাগিব আৰু কোনো চৰকাৰী ধনৰ দেনাদাৰ হ'ব নালাগিব ।

৬)আবেদনকাৰী চৰকাৰী চাকৰিয়াল হ'ব নালাগিব ।

৭)আবেদনকাৰীৰ নিজৰ নামত সংশ্লিষ্ট গাঁৱত ভূমি/স্হাৱৰ সম্পত্তি থাকিব লাগিব ।

৮)আবেদনকাৰী কোনো ৰাজনৈতিক দলৰ সদস্য হ'ব নালাগিব ।

৯)আবেদনকাৰী কোনো ধৰনৰ অপৰাধজনিত কাৰ্যত জড়িত থাকিব নালাগিব ।

১০)নিযুক্তিৰ ক্ষেত্ৰত গাওঁবুঢ়াৰ পৰিয়ালৰ প্ৰাৰ্থীক অগ্ৰাধিকাৰ দিয়া হ'ব ।

১১)আবেদনকাৰী দুটাতকৈ অধিক সন্তানৰ পিতৃ হ'ব নালাগিব । কিন্তু অসম চৰকাৰৰ অধিসূচনা নং আৰ.এল.আৰ.১৮৭/২০০৭/অংশ/২০৪, দিনাংক ১৯/০৭/২০১৯ জাৰি হোৱাৰ পূৰ্বে যিসকল ব্যক্তি দুটাতকৈ অধিক সন্তানৰ গৰাকী হয়, তেওঁলোকৰ ক্ষেত্ৰত এই নীতি প্ৰযোজ্য নহ'ব ।

**আবেদন পত্ৰৰ লগত দাখিল কৰিবলগীয়া প্ৰয়োজনীয় প্ৰমান পত্ৰসমূহ -**

১)স্থায়ী বাসিন্দাৰ প্ৰমাণ পত্ৰ ।

২)বয়স আৰু শিক্ষাগত অৰ্হতাৰ প্ৰমাণ পত্ৰ (অসম চৰকাৰৰ স্বীকৃতিপ্ৰাপ্ত বৰ্ড অথবা অনুস্থানৰ প্ৰমাণ পত্ৰ)।
৩)বাকীজাই দেনামুক্ত প্ৰমাণ পত্ৰ ।
৪) ভূমি/স্থাৱৰ সম্পত্তিৰ প্ৰমাণ পত্ৰ ।
৫)ভোটাৰ পৰিচয় পত্ৰ/পেন কাৰ্ড ।
৬)পাচপৰ্ট আকাৰৰ ফটো।
৭)দুটাতকৈ অধিক সন্তানৰ পিতৃ নোহোৱাৰ শপতনামা ।
৮)শাৰীৰিক আৰু মানসিকভাৱে সুস্থ হোৱাৰ প্ৰমাণপত্ৰ ।

আবেদন কৰাৰ সময়ত প্ৰাৰ্থীসকলে সঠিকভাৱে তেওঁলোকে আবেদন কৰিবলৈ বিচৰা লাট নং আৰু গাঁৱৰ অথবা গাওঁ সমূহৰ নাম উল্লেখ কৰিব লাগিব। অন্যথা তেওঁলোকৰ আবেদনপত্ৰ নাকচ কৰা হ'ব।

আবেদনকাৰীয়ে দাখিল কৰা প্ৰমাণ পত্ৰসমূহ যদি ভূৱা বুলি প্ৰমাণিত হয় তেন্তে তেখেতৰ প্ৰাৰ্থিত্ব তাৎক্ষনিকভাৱে নাকচ কৰাৰ লগতে আইনগত ব্যৱস্হা গ্ৰহন কৰা হ'ব ।

যোগ্য বিবেচিত প্ৰাৰ্থীসকল মৌখিক সাক্ষাৎকাৰত অৱতীৰ্ণ হ'ব লাগিব । সাক্ষাৎকাৰৰ নিৰ্দিষ্ট স্থান আৰু সময় পৰৱৰ্তী পৰ্যায়ত অৱগত কৰা হ'ব।

এই বিজ্ঞাপন চৰকাৰৰ অধিসূচনা নং আৰ.এল.আৰ.১৮৭/২০০৭/৩৯ দিনাংক ১০/০৪/২০১৮, আৰ.এল.আৰ.১৮৭/২০০৭/অংশ/২৪ দিনাংক ১৯/০৭/২০১৯ আৰু আৰ.এল.আৰ.৭৩/২০২০/৩ দিনাংক ২৬/০৮/২০২১ মৰ্মে জাৰি কৰা হৈছে ।

স্বাঃ/-

উপায়ুক্ত,
মাজুলী।

নং: এম.আৰ.পি.৭২/২০২২/ ৭৩৪৪-৪৯

তাং ০১/০৭/২০২২

<u>প্ৰতিলিপি:-</u>

১) চক্ৰ বিষয়া, মাজুলী ৰাজহ চক্ৰ আৰু উজনী মাজুলী ৰাজহ চক্ৰৰ জ্ঞাতাৰ্থে আৰু বিহিত ব্যৱস্থাৰ্থে প্ৰেৰণ কৰা হ'ল।

২) জিলা তথ্য আৰু জনসংযোগ বিষয়াৰ জ্ঞাতাৰ্থে প্ৰেৰন কৰা হ'ল। ইয়াৰ দ্বাৰাই তেখেতক এই বিষয়ে বহুলভাৱে প্ৰচাৰ কৰিবলৈ জনোৱা হ'ল ।

৩)জিলা তথ্য বিজ্ঞান বিষয়াৰ জ্ঞাতাৰ্থে আৰু বিহিত ব্যৱস্থাৰ্থে প্ৰেৰণ কৰা হ'ল।

৪) ব্যক্তিগত সচিব, আয়ুক্ত ও সচিব, ৰাজহ ও দুৰ্যোগ ব্যবস্থাপনা বিভাগ, দিশপুৰ, গুৱাহাটী-৬, জ্ঞাতাৰ্থে প্ৰেৰন কৰা হ'ল।

৫)ব্যক্তিগত সচিব, ভূমিলেক্ষ্য ও জৰীপ অধিকৰ্ত্তা, অসম, ৰূপনগৰ, গুৱাহাটী-৩২, জ্ঞাতাৰ্থে প্ৰেৰন কৰা হ'ল।

৬) কাৰ্যালয়ৰ জাননী ফলক ।

৭) কাৰ্যালয় কপি।

উপায়ুক্ত,
মাজুলী।